# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY
## MA Assamese 3rd Sem. Examination, 2014

কাকত ঃ নৱম

সাহিত্য সমালোচনা

সময় ঃ তিনি ঘণ্টা　　　　মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ চমুটোকা লিখক। ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

নাট্যশাস্ত্ৰ, ৰসধ্বনি, কৰুণ ৰস, প্ৰতীক, মেলোড্ৰামা, অতিবাস্তৱবাদ, পৰিৱেশপ্ৰধান চুটিগল্প

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভৰতমুনিৰ ৰসসূত্ৰটো উল্লেখ কৰি তাত নিহীত থকা কাব্যৰ উপাদানসমূহৰ আভাস দিয়ক।

(খ) ধ্বনি বিৰোধী দলৰ দ্বিতীয় মতটো কি? বুজাই লিখক।

(গ) কবিতাৰ কেইটা বিভাগ আছে? যিকোনো এটা বিভাগৰ বিষয়ে লিখক।

(ঘ) নাটকত সংলাপৰ প্ৰাধান্য কেনেকুৱা হোৱা উচিত বুলি আপুনি ভাবে, আলোচনা কৰক।

(ঙ) উপন্যাসৰ গতিশীল চৰিত্ৰ — এই বিষয়ে এখন প্ৰখ্যাত উপন্যাসৰ আলমত আপোনাৰ মন্তব্য দাঙি ধৰক।

(চ) বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ দাঙি ধৰক।

৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) যিকোনো এবিধ ৰসৰ বিষয়ে উদাহৰণেৰে সৈতে আলোচনা আগবঢ়াওক।



(খ) সমালোচনা আৰু সৃষ্টিশীল ৰচনাৰ মাজত সম্পৰ্ক ঠাৱৰ কৰি এটি আলোচনা আগবঢ়াওক।

(গ) এৰিষ্টটলে দিয়া ট্ৰেজেডীৰ সংজ্ঞাটো বিশ্লেষণ কৰক।

(ঘ) সৃষ্টিধৰ্মী কাহিনী সাহিত্য হিচাপে চুটিগল্প আৰু উপন্যাসৰ মাজৰ সম্পৰ্ক বিচাৰ কৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'ধ্বনি কাব্যৰ আত্মা' - কথাষাৰ বিচাৰ কৰি এটি আলোচনামূলক টোকা যুগুত কৰক।

(খ) 'বক্ৰোক্তিজীৱিতম' গ্ৰন্থৰ ৰচক আচাৰ্য কুন্তক। গ্ৰন্থখনৰ চমু পৰিচয় দিয়াৰ লগতে বক্ৰোক্তিৰ স্বৰূপ সম্বন্ধে আচাৰ্য কুন্তকে কি কৈছে আলোচনা কৰক।

(গ) কবিতাৰ ভাষা বুলিলে কি বুজে? কবিতাত ছন্দৰ প্ৰয়োজনীয়তা কি?

(ঘ) নাটকৰ প্ৰধান উপাদান বা কলা-কৌশলসমূহ কি কি? এখন নাটকৰ সফলতাত সেই উপাদানসমূহৰ প্ৰয়োগ কেনে হোৱা উচিত বুলি আপুনি ভাবে, বিচাৰ কৰক।

(ঙ) আধুনিক উপন্যাসৰ বৈশিষ্ট্যসমূহ ঠাৱৰ কৰি এটি আলোচনা যুগুত কৰক।

(চ) সমালোচনা সাহিত্যৰ ক্ৰমবিকাশ সম্বন্ধে এটি আলোচনা প্ৰস্তুত কৰক।